# নগাঁৱত "কৃষি উৎপাদিত সামগ্ৰীৰ বিপণনত তথ্যৰ প্ৰয়োজনীয়তা" শীৰ্ষক সজাগতা সভা

দুৰ্নীতিৰ দৰ্পণ সেৱা , বটদ্ৰৱা , ২ নৱেম্বৰ ঃ অসম কৃষি বানিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ প্ৰকল্প (APART) , অসম কৃষি বিশ্ববিদ্যালয় , যোৰহাটৰ কৃষি বিপণন অনুসন্ধান তথ্য কোষ (AMIU) আৰু কৃষি বিজ্ঞান কেন্দ্ৰ , নগাঁৱৰ উদ্যোগত আজি "কৃষি উৎপাদিত সামগ্ৰীৰ বিপণনত তথ্যৰ প্ৰয়োজনীয়তা" শীৰ্ষক এখনি সজাগতা সভা অনুষ্ঠিত হয়। এপাৰ্টৰ বিষয়া গায়ত্ৰী গোস্বামীয়ে আঁত ধৰা সভাখনৰ আৰম্ভণিতে কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱৰ মুৰব্বী ড০ নিৰঞ্জন ডেকাই উদেশ্যে ব্যাখ্যা কৰি "কৃষকৰ উৎপাদিত সামগ্ৰী নিৰ্দিষ্ট বজাৰলৈ নি তাৰ প্ৰকৃত মূল্য নিৰ্ধাৰণ কৰি কৃষকক কেনেদৰে লাভান্বিত কৰিব পাৰি" উক্ত বিষয় সন্দৰ্ভত সাৱলীল ভাৱে বিশ্লেষণ কৰে। নগাঁও জিলাৰ শিমলুগুৰি স্থিত কৃষি বিজ্ঞান কেন্দ্ৰৰ সভাগৃহত অনুষ্ঠিত সভাখনত উপস্থিত থাকি অসম কৃষি বিশ্ববিদ্যালয় কৃষি অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ নিবেদিতা ডেকা , সম্প্ৰসাৰণ শিক্ষা বিভাগৰ অধ্যাপক ড০ উৎপল বৰ্মন , নগাঁও জিলা কৃষি বিষয়া ৰঞ্জন ডেকা , অসম কৃষি বানিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ প্ৰকল্পৰ তথ্য বিশেষক ড০ ববান বায়ন , বানিজ্য বিশেষজ্ঞ নৱীন সাগৰ , আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰ চিলঙনীৰ মুখ্য বিজ্ঞানী ড০ অমল চন্দ্ৰ শৰ্মাই "কৃষকৰ উৎপাদিত সামগ্ৰীৰ উপভোক্তাৰ চাহিদা , বজাৰ প্ৰতিযোগিতা আদি বিষয় সমূহৰ উপৰত আলোচনা কৰে। কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱৰ বিজ্ঞানী সকল , কৰ্মচাৰী বৃন্দ , নগাঁও জিলাৰ বিভিন্ন ঠাইৰ কৃষক উৎপাদক কোম্পানীৰ সদস্য , কৃষক উৎপাদক সংস্থাৰ সদস্য আৰু প্ৰগতিশীল কৃষকৰ উপস্থিতিত অনুষ্ঠিত সভাখনৰ শেষত কৃষি বিপণন অনুসন্ধান তথ্য কোষৰ দ্বাৰ প্ৰস্তুত কৰা "কৃষি উৎপাদিত সামগ্ৰীৰ বিপণনত তথ্যসমৃদ্ধ এটি ৱেব ছাইটৰ বিষয়ে বিশ্লেষণ কৰা হয়।

# কৃষি বিজ্ঞান কেন্দ্ৰ, নগাঁৱত 'কৃষি উৎপাদিত সামগ্ৰীৰ বিপণনত তথ্যৰ প্ৰয়োজনীয়তা' শীৰ্ষক সজাগতা সভা

**গণ বাৰ্তা, টুকটুকী, ২ অক্টোবৰ ঃ** অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ প্ৰকল্প (APART), অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাটৰ কৃষি বিপণন অনুসন্ধান তথ্য কোষ (AMIU) আৰু কৃষি বিজ্ঞান কেন্দ্ৰ, নগাঁৱৰ উদ্যোগত আজি 'কৃষি উৎপাদিত সামগ্ৰীৰ বিপণনত তথ্যৰ প্ৰয়োজনীয়তা' শীৰ্ষক এখনি সজাগতা সভা অনুষ্ঠিত হয়। এপাৰ্টৰ বিষয়া গায়ত্ৰী গোস্বামীয়ে আঁতধৰা সভাখনৰ আৰম্ভণিতে কৃষি বিজ্ঞান কেন্দ্ৰৰ নগাঁৱৰ মুৰব্বী ড° নিৰঞ্জন ডেকাই উদেশ্যে ব্যাখ্যা কৰি কৃষকৰ উৎপাদিত সামগ্ৰী নিৰ্দিষ্ট বজাৰলৈ নি তাৰ প্ৰকৃত মূল্য নিৰ্ধাৰণ কৰি,




কৃষকক কেনেদৰে লাভান্বিত কৰিব পাৰি, উক্ত বিষয় সন্দৰ্ভত সাৱলীলভাৱে বিশ্লেষণ কৰে। নগাঁও জিলাৰ শিমলুগুৰিস্থিত কৃষি বিজ্ঞান কেন্দ্ৰৰ সভাগৃহত অনুষ্ঠিত সভাখনত উপস্থিত থাকি অসম কৃষি বিশ্ববিদ্যালয় কৃষি অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপিকা ড° নিবেদিতা ডেকা, সম্প্ৰসাৰণ শিক্ষা বিভাগৰ অধ্যাপক ড° উৎপল বৰ্মন, নগাঁও জিলা কৃষি বিষয়া ৰঞ্জন ডেকা, অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ প্ৰকল্পৰ তথ্য বিশ্লে-ষক ড° ববান বায়ন, বাণিজ্য বিশেষজ্ঞ নবীন সাগৰ, আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰ, চিলঙনীৰ মুখ্য বিজ্ঞানী ড° অমল চন্দ্ৰ শৰ্মাই কৃষকৰ উৎপাদিত সামগ্ৰীৰ উপভোক্তাৰ চাহিদা, বজাৰ প্ৰতিযোগিতা আদি বিষয়সমূহৰ ওপৰত আলোচনা কৰে। কৃষি বিজ্ঞান কেন্দ্ৰৰ নগাঁৱৰ বিজ্ঞানীসকল, কৰ্মচাৰীবৃন্দ, নগাঁও জিলাৰ বিভিন্ন ঠাইৰ কৃষক উৎপাদক কোম্পানীৰ সদস্য, কৃষক উৎপাদক সংস্থাৰ সদস্য আৰু প্ৰগতিশীল কৃষকৰ উপস্থিতিত অনুষ্ঠিত সভাখনৰ শেষত কৃষি বিপণন অনুসন্ধান তথ্য কোষৰ দ্বাৰা প্ৰস্তুত কৰা কৃষি উৎপাদিত সামগ্ৰীৰ বিপণনত তথ্যসমৃদ্ধ এটি ৱেব ছাইটৰ বিষয়ে বিশ্লেষণ কৰা হয়।

# নগাঁৱৰ কৃষি বিজ্ঞান কেন্দ্ৰত সজাগতা সভা

**প্ৰতিদিন সেৱা, বটদ্ৰৱা, ২ নৱেম্বৰ ঃ** অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্প (এপাৰ্ট), অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাটৰ কৃষি বিপণন অনুসন্ধান তথ্য কোষ আৰু কৃষি বিজ্ঞান কেন্দ্ৰ, নগাঁৱৰ উদ্যোগত আজি 'কৃষি উৎপাদিত সামগ্ৰীৰ বিপণনত তথ্যৰ প্ৰয়োজনীয়তা' শীৰ্ষক এখন সজাগতা সভা অনুষ্ঠিত হয়। 'এপাৰ্ট'ৰ বিষয়া গায়ত্ৰী গোস্বামীয়ে আঁত ধৰা সভাখনৰ আৰম্ভণিতে কৃষি বিজ্ঞান কেন্দ্ৰ, নগাঁৱৰ মুৰব্বী ড° নিৰঞ্জন ডেকাই উদ্দেশ্য ব্যাখ্যা কৰি কৃষিকৰ উৎপাদিত সামগ্ৰী নিৰ্দিষ্ট বজাৰলৈ নি তাৰ প্ৰকৃত মূল্য নিৰ্ধাৰণ কৰি, কৃষকক কেনেদৰে লাভান্বিত কৰিব পাৰি সেই বিষয়ে বিশ্লেষণ কৰে। নগাঁও জিলাৰ শিমলুগুৰিৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ সভাগৃহত অনুষ্ঠিত সভাখনত উপস্থিত থাকি অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপিকা ড° নিবেদিতা ডেকা, সম্প্ৰাসৰণ শিক্ষা বিভাগৰ অধ্যাপক ড° উৎপল বৰ্মন, নগাঁও জিলা কৃষি বিষয়া ৰঞ্জন ডেকা, অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্পৰ তথ্য বিশ্লেষক ড° ববান বায়ন, বাণিজ্য বিশেষজ্ঞ নবীন সাগৰ আৰু আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰ, চিলঙনীৰ মুখ্য বিজ্ঞানী ড° অমল চন্দ্ৰ শৰ্মাই কৃষকৰ উৎপাদিত সামগ্ৰীৰ উপভোক্তাৰ চাহিদা, বজাৰ প্ৰতিযোগিতা আদি বিষয়সমূহক লৈ আলোচনা কৰে। কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱৰ বিজানীসকল, কৰ্মচাৰীবৃন্দ, নগাঁও জিলাৰ বিভিন্ন ঠাইৰ কৃষক উৎপাদক কোম্পানীৰ সদস্য, কৃষক উৎপাদক সংস্থাৰ সদস্য আৰু প্ৰগতিশীল কৃষকৰ উপস্থিতিত অনুষ্ঠিত সভাখনৰ শেষত কৃষি বিপণন অনুসন্ধান তথ্য কোষৰ দ্বাৰা প্ৰস্তুত কৰা কৃষি উৎপাদিত সামগ্ৰীৰ বিপণনত তথ্যসমৃদ্ধ এটা ৱেবছাইটৰ বিষয়ে বিশ্লেষণ কৰা হয়।